**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ত্ৰিদেশীয় ভ্ৰমণসূচীৰে আজি জৰ্ডান, ইথিওপিয়া আৰু ওমানলৈ যাব।

২। বিজেপি সংসদীয় পৰিষদে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বিহাৰৰ মন্ত্ৰী তথা পাঁচবাৰৰ বিধায়ক নীতিন নবীনক দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিছে।

৩। ২০২৬ চনৰ পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ই ভি এম সমূহৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া শক্তিশালী কৰি তুলিছে।

৪। অষ্ট্ৰেলিয়াৰ ছিডনীৰ বন্দী তীৰত কালি সন্ধিয়া সংঘটিত গুলীচালনাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৫ লৈ বৃদ্ধি পাইছে। *আৰু*

৫। ধৰমশালাত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ত্ৰিদেশীয় ভ্ৰমণসূচীৰে আজি জৰ্ডান, ইথিওপিয়া আৰু ওমানলৈ যাব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে জৰ্ডানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ আমন্ত্ৰণমৰ্মে দেশখন ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে জৰ্ডানৰ ৰজাৰ সৈতে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে অন্যান্য আঞ্চলিক বিষয়ত মত বিনিময় কৰিব। উল্লেখযোগ্য যে দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্কই এইবাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰিছে। ভাৰত আৰু জৰ্ডানৰ মাজত শক্তিশালী অৰ্থনৈতিক সম্পৰ্ক আছে আৰু ভাৰত হৈছে জৰ্ডানৰ তৃতীয় বৃহৎ বাণিজ্য অংশীদাৰ।

ত্ৰিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী কাইলৈ ইথিওপিয়ালৈ যাব। এয়া হ'ব তেওঁৰ প্ৰথমটো ইথিওপিয়া ভ্ৰমণ। শ্ৰীমোদীয়ে ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী ড০ এবি আহমেদ আলীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী ১৭ ডিচেম্বৰত ওমানলৈ যাব আৰু তাত তেওঁ ছুলতান হেইথ্‌ম ইবন তাৰিকক সাক্ষাৎ কৰিব। ভাৰত আৰু ওমানৰ মাজত কূটনৈতিক সম্পৰ্কই ৭০ বছৰ সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০

বিজেপি সংসদীয় পৰিষদে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বিহাৰৰ মন্ত্ৰী তথা পাঁচবাৰৰ বিধায়ক নীতিন নবীনক দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিছে। এগৰাকী সাংগঠনিক নেতা হিচাপে বহুলভাৱে পৰিচিত শ্ৰীনবীনে সম্প্ৰতি পাটনাৰ বাংকিপুৰ বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰে। তেওঁ লগতে নীতিশ কুমাৰ নেতৃত্বাধীন বিহাৰ চৰকাৰত পথ নিৰ্মাণ বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি আছে। শ্ৰীনবীন হৈছে জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক নবীন কিশোৰ প্ৰসাদ সিনহাৰ পুত্ৰ। ৪৫ বছৰীয়া নীতিন নবীন বিজেপিৰ ইতিহাসৰ আটাইতকৈ কম বয়সীয়া কাৰ্যকৰী সভাপতি তথা বিহাৰৰ পৰা নিৰ্বাচিত হোৱা প্ৰথমগৰাকী বিজেপি নেতা।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ নেতাগৰাকীক ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি লাভ কৰাৰ বাবে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে নীতিন নবীন হৈছে দলৰ এগৰাকী কঠোৰ পৰিশ্ৰমী কৰ্মী। বিহাৰৰ কেইবাবাৰৰ বিধায়ক তথা মন্ত্ৰী হিচাপে তেওঁৰ যথেষ্ট সাংগঠনিক অভিজ্ঞতা আছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীনবীনৰ দক্ষতা আৰু সমৰ্পণে অনাগত সময়ত দলটোক অধিক শক্তিশালী কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে আশা ব্যক্ত কৰে।

০০০০০

২০২৬ চনৰ পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ই ভি এম সমূহৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া  শক্তিশালী কৰি তুলিছে। এই প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে অন্য ৰাজ্যৰ ৫ জন নডেল বিষয়াক নিয়োগ কৰা হৈছে। অৰুণাচল প্ৰদেশৰ উপ-মুখ্য নিৰ্বাচনী বিষয়া শ্বানিয়া কায়েম মিজে, মহাৰাষ্ট্ৰৰ উপ-মুখ্য নিৰ্বাচনী বিষয়া য়োগেশ গোশ্বাৰী, মেঘালয়ৰ অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়া পি কে বড়ো, মিজোৰামৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়া ইথেল ৰ'থাংপুই আৰু নিৰ্বাচন আয়োগৰ অধীনৰ সচিব কনিষ্ক কুমাৰক ৰাজ্যখনৰ নডেল বিষয়া হিচাপে নিয়োগ কৰা হৈছে।

০০০০০

ইহুদীসকলৰ উৎসৱ হানুকা উদযাপনৰ প্ৰথম দিনা কালি সন্ধিয়া অষ্ট্ৰেলিয়াৰ ছিডনীৰ বন্দী তীৰত সংঘটিত গুলীচালনাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৫ লৈ বৃদ্ধি পাইছে। অষ্ট্ৰেলিয়াৰ আৰক্ষীয়ে এই গুলীচালনাক সন্ত্ৰাসবাদী আক্ৰমণ বুলি উল্লেখ কৰিছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে বন্দুকধাৰী দুজন পিতা-পুত্ৰ আছিল। গুলীচালনাৰ সময়ত আৰক্ষীৰ হাতত ৫০ বছৰীয়া পিতৃৰ মৃত্যু হয় আৰু পুত্ৰজনক সংকটজনক অৱস্থাত আৰক্ষীয়ে জিম্মাত লয়। এই আক্ৰমণত দুজন আৰক্ষী বিষয়াকে ধৰি ৪২ জন লোক আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীৰ পৰা ছটা বন্দুক আৰু দুটা বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হয়।

দেশখনৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানীজে এই ঘটনাক অত্যন্ত দুখজনক বুলি অভিহিত কৰিছে। ইপিনে ইজৰাইলৰ বিদেশ মন্ত্ৰী গীডিয়ন ছাৰে এই ঘটনাটোৱে তেওঁক স্তম্ভিত কৰি তোলা বুলি উল্লেখ কৰি ইয়াক যোৱা দুটা বছৰত অষ্ট্ৰেলিয়াৰ ৰাজপথত ইহুদী বিৰোধী কাৰ্যসূচীৰ পৰিণাম বুলি উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বন্দী তীৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। এই শোকৰ সময়ত ভাৰত অষ্ট্ৰেলিয়াৰ জনসাধাৰণৰ সৈতে আছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে লগতে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশালতীৰ নীতি সমৰ্থন জনাই আহিছে আৰু সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰত সদায় থিয় দিব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰেও এই আক্ৰমণক গৰিহণা দিছে।

০০০০০

দক্ষিণ ভাৰতৰ তাঞ্জাভুৰৰ মুথাৰায়াৰ সাম্ৰাজ্যৰ ছুভাৰান মাৰাণ হিচাপে পৰিচিত সম্ৰাট পেৰুম্বিডুগু মুথাৰায়াৰ দ্বিতীয়ৰ স্মৃতিত কালি মুকলি কৰা এটা ডাক টিকট সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্তোষ প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নতুন দিল্লীত এই ডাক টিকট মুকলি কৰে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সামাজিক মাধ্যমযোগে দিয়া এটা উত্তৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সম্ৰাট পেৰুম্বিডুগু মুথাৰায়াৰ এগৰাকী দক্ষ, তীক্ষ্ণধী আৰু কৌশলী প্ৰশাসক আছিল। তেওঁ ন্যায় পৰায়ণতা আৰু তামিল সংস্কৃতিৰ পুৰোধা হিচাপে পৰিচিত আছিল। প্ৰধানমন্ত্ৰী মোদীয়ে সম্ৰাট পেৰুম্বিডুগু মুথাৰায়াৰ দ্বিতীয়ৰ অনন্য জীৱন আৰু কৰ্মৰ বিষয়ে অধ্যয়ন কৰিবলৈ যুৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনায়।

০০০০০

অসমৰ সংবাদ জগতৰ মহীৰোহ, দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী বঁটা লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সাংবাদিকতাৰ ক্ষেত্ৰত অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল। আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। চিকিৎসালয়ৰ পৰা তেওঁৰ নশ্বৰদেহ প্ৰথমে চানমাৰিৰ বাসগৃহলৈ আৰু তাৰ পাছত আছাম ট্ৰিবিউনৰ চৌহদলৈ আনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব।

০০০০০

ইজৰাইলী ড্ৰোন আক্ৰমণত কালি লেবাননত হিজবুল্লাহৰ তিনিজন সদস্য মৃত্যু হোৱাৰ লগতে আন এজন আঘাতপ্ৰাপ্ত হয়। লেবাননৰ চৰকাৰী সংবাদ সংস্থাই প্ৰকাশ কৰা মতে দেশখনৰ বিণ্ট জেবিল জিলাৰ য়াতাৰ গাঁৱত সংঘটিত ড্ৰোন আক্ৰমণত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন এজন আহত হয়। দ্বিতীয়টো ড্ৰোন আক্ৰমণ সংঘটিত হয় ছাফাদ-আল-বাটিখ আৰু বাৰাচি নগৰৰ মাজত। এই আক্ৰমণতো এজন লোকৰ মৃত্যু হয়। জৌৱায়া গাঁৱত সংঘটিত আনটো ড্ৰোন আক্ৰমণৰ ঘটনাত তৃতীয়জন লোকৰ মৃত্যু হয় বুলি সংবাদ সংস্থাটোৱে প্ৰকাশ কৰে। লেবাননৰ নিৰাপত্তাৰক্ষীৰ উৎসই জনোৱা মতে এই তিনিওজন লোক হিজবুল্লাহৰ সদস্য আছিল।

হিজবুল্লাহ আৰু ইজৰাইলৰ মাজত যোৱা বছৰত যুদ্ধ বিৰতিৰ চুক্তিত স্বাক্ষৰিত হৈছিল যদিও এই চুক্তি উলংঘা কৰি হিজবুল্লাহে পুনৰ সাংগঠনিক আন্তঃগাঁথনি বৃদ্ধিৰ তৎপৰতা চলাইছিল বুলি ইজৰাইলী সেনাই প্ৰকাশ কৰে।

০০০০০

ধৰমশালাত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ৭ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰণ কৰি দিয়া ১১৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে ১৫ অভাৰ ৫টা বলতে তিনিটা উইকেটৰ বিনিময়ত ১২০ ৰান কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ অভিষেক শৰ্মাই সৰ্বাধিক ৩৫ ৰান কৰে। তিলক বাৰ্মা ২৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ এইডেন মাৰ্কৰামে সৰ্বাধিক ৬১ ৰাণ কৰে। অৰ্শ্বদীপ সিং, হৰ্ষিত ৰাণা, বৰুণ চক্ৰবৰ্তী আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। এই জয়ৰ সুবাদত ভাৰতে সম্প্ৰতি শৃংখলাটোত ২-১ৰ অগ্ৰগতি লাভ কৰিছে।

টি-২০ শৃংখলাৰ চতুৰ্থখন খেল পৰহিলৈ লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিমখন খেল অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত